যি ব্যক্তিয়ে গণকৰ ওচৰলৈ গৈ তাক কিবাকিবি সোধে আৰু সেই গণকৰ কথাক বিশ্বাস কৰে। চল্লিশ দিনলৈ সেই ব্যক্তিৰ চালাত (নামাজ) কবুল নহয়।

নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ কোনো এজনী স্ত্ৰীয়ে নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা বৰ্ণনা কৰিছে, তেখেতে কৈছেঃ "যি ব্যক্তিয়ে গণকৰ ওচৰলৈ গৈ তাক কিবাকিবি সোধে আৰু সেই গণকৰ কথাক বিশ্বাস কৰে। চল্লিশ দিনলৈ সেই ব্যক্তিৰ চালাত (নামাজ) কবুল নহয়।"
[ছহীহ] [(মুছলিম)]

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে গণক তথা ভৱিষ্যৎ বক্তা আদিৰ ওচৰলৈ যোৱাৰ পৰা সতৰ্ক কৰিছে। ভৱিষ্যৎ বক্তাৰ দ্বাৰা, গণক, জ্যোতিষি আদিক বুজোৱা হৈছে, যিসকলে গ্ৰহ-নক্ষত্ৰ আৰু জ্যোতিষি বিদ্যাৰ সহায়ত গায়েব জনা বুলি দাবী কৰে। এইটো ইমান ভয়াৱহ গুনাহ যে, কেৱল অদৃশ্য জ্ঞান সম্পৰ্কে জানিবলৈ কিবা সুধিলে আল্লাহে চল্লিছ দিনৰ নামাজৰ ছোৱাব বাতিল কৰি দিয়ে। এইটোৱে হৈছে এই মহাপাপৰ শাস্তি।

http://www.sunnah.global/hadeeth/as/show/5986